**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **প্ৰগতি** শীৰ্ষক ৪৮ সংখ্যক বৈঠকত অধ্যক্ষতা কৰি খনি, ৰে'লৱে আৰু জলসম্পদৰ বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰকল্পত পৰ্যালোচনা কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ কুইংডাওত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব।

৩। ভাৰত আৰু ভিয়েটনামৰ মাজত ত্ৰয়োদশ ৰাজনৈতিক আৰু দশম কৌশলগত আলোচনা কালি নতুন দিল্লীত অনুষ্ঠিত হয়।

৪। সমগ্ৰ বিশ্বতে আজি মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় দিৱস পালন কৰা হৈছে। ***আৰু***

৫। ভিয়েটনামত অনুষ্ঠিত ১৭ বছৰ অনূৰ্ধৰ এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাত ভাৰতীয় মহিলা দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি **প্ৰগতি** শীৰ্ষক ৪৮ সংখ্যক বৈঠকত অধ্যক্ষতা কৰি খনি, ৰে'লৱে আৰু জলসম্পদৰ বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰকল্পত পৰ্যালোচনা কৰে। বৈঠকত অৰ্থনৈতিক বিকাশ আৰু জনকল্যাণৰ বাবে গ্ৰহণ কৰা এই প্ৰকল্পসমূহৰ সময়সীমা, আন্তঃসংস্থা সমন্বয় আৰু বিভিন্ন বিষয়ৰ সমাধানৰ ক্ষেত্ৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই প্ৰকল্পসমূহ সম্পূৰ্ণ কৰি তোলাত পলম হ'লে বিত্তীয় ব্যয় বৃদ্ধি পায় আৰু নাগৰিকক সময়মতে প্ৰয়োজনীয় সেৱা তথা আন্তঃগাঁথনিৰ সুবিধা প্ৰদানতো বাধাৰ সৃষ্টি হয়।

শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ পৰ্যালোচনা কৰি সকলো ৰাজ্যকে স্বাস্থ্য আন্তঃগাঁথনিৰ বিকাশ ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। এইক্ষেত্ৰত অভিলাষী জিলাসমূহত বিশেষ গুৰুত্ব প্ৰদানৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ লোকসকলে গুণগত স্বাস্থ্যসেৱা লাভ কৰাটো নিশ্চিত কৰা উচিত। আয়ুষ্মান ভাৰত অভিযানে ৰাজ্যসমূহক গুণগত স্বাস্থ্যসেৱা প্ৰদান কৰাৰ ব্যৱস্থাক শক্তিশালী কৰাৰ সোণালী সুযোগ প্ৰদান কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ কুইংডাওত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী কালি সন্ধিয়া চীনত উপস্থিত হয়। এই দুদিনীয়া বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা, সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ প্ৰচেষ্টা আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়সমূহৰ মাজত সহযোগিতা বৃদ্ধিকে ধৰি ভালেমান

গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ আশা কৰা হৈছে। শ্ৰীসিঙে বৈঠকত আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ নিৰ্মূলৰ বাবে যুটীয়া আৰু নিৰন্তৰ প্ৰচেষ্টাৰ বাবে আহ্বান জনোৱাৰ সম্ভাৱনা আছে। এই বৈঠকৰ সুযোগতে তেওঁ চীন আৰু ৰাছিয়াকে ধৰি কেইবাখনো দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২০০১ চনত গঠন হোৱা ছাংহাই সহযোগিতা সংস্থা হৈছে এটা আন্তঃচৰকাৰী সংস্থা। ২০১৭ চনত ভাৰত ইয়াৰ পূৰ্ণাংগ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল। সম্প্ৰতি এই সংস্থাত কাজাখস্তান, চীন, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান, উজবেকিস্তান, ইৰান, বেলাৰুছ আৰু ভাৰত সদস্য ৰাষ্ট্ৰ হিচাপে আছে।

০০০০০

নতুন দিল্লীত কালি অনুষ্ঠিত ভাৰত আৰু ভিয়েটনামৰ মাজৰ ত্ৰয়োদশ ৰাজনৈতিক আলোচনা আৰু দশম কৌশলগত আলোচনাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ পি কুমাৰাণ আৰু ভিয়েটনামৰ উপ বৈদেশিক দপ্তৰৰ মন্ত্ৰী নুয়েন মান কুয়ঙে অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়,যে ৰাজনৈতিক আলোচনাৰ সময়ত দুয়োপক্ষই ২০২০ বৰ্ষৰ ডিচেম্বৰত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা 'শান্তি,সমৃদ্ধি আৰু জনসাধাৰণৰ যুটীয়া দৃষ্টিভংগী' আৰু ২০২৪ বৰ্ষত ভিয়েটনামৰ প্ৰধানমন্ত্ৰীৰ  ভাৰত ভ্ৰমণৰ সময়ত আগষ্ট মাহত স্বাক্ষৰিত ২০২৪-২০২৮ বৰ্ষৰ কাৰ্য পৰিকল্পনাৰ দ্বাৰা পৰিচালিত ভাৰত আৰু ভিয়েটনামৰ সৰ্বাংগীন কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে । দুয়োপক্ষই কালি ৰাজনীতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সামুদ্ৰিক, বাণিজ্য আৰু বিনিয়োগ, কৃষি, ঔষধ, শক্তি, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাকে ধৰি সকলো দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত  কালি দুয়োপক্ষই আলোচনা কৰে। ঐতিহ্য সংৰক্ষণ আৰু পুনৰুদ্ধাৰ প্ৰকল্প, দ্ৰুত প্ৰভাৱ থকা প্ৰকল্প, আই টি ই চি আৰু ই আই টি ই চি পদক্ষেপ তথা বৃত্তিৰ জৰিয়তে ভাৰত আৰু ভিয়েটনামৰ মাজত চলি থকা উন্নয়নমূলক সহযোগিতাৰ ওপৰতো কালি দুয়োপক্ষই সন্তুষ্টি প্ৰকাশ কৰে। কৌশলগত আলোচনাৰ সময়ত কালি দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় বিষয়সমূহ সন্দৰ্ভত মত বিনিময় কৰে। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদকে ধৰি  সকলো ধৰণৰ সন্ত্ৰাসবাদকে দুয়োখন দেশে তীব্ৰ গৰিহণা দিছে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে কৰা যুঁজখনৰ  প্ৰতি ভিয়েটনামৰ সহমৰ্মিতা আৰু সহযোগিতাৰ ভাৰতে শলাগ লয়। ২০২৫ বৰ্ষৰ মে' মাহত ভিয়েটনামত প্ৰথমবাৰৰ বাবে গৌতম বুদ্ধৰ পৱিত্ৰ অৱশেষ প্ৰদৰ্শন কৰাৰ বাবে কালি বৈঠকত ভিয়েটনাম পক্ষই ভাৰতৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

০০০০০

সমগ্ৰ বিশ্বতে আজি মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় দিৱস পালন কৰা হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা আৰু সহযোগিতাক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে আজি নতুন দিল্লীৰ ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী বি এল বাৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা ১২ জুনৰ বৰ্তমানলৈকে **নিচামুক্ত ভাৰত পাখৰাৰা** উদযাপন কৰাৰ বাবে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰ শলাগ লয়। চলিত

বৰ্ষৰ জুন পৰ্যন্ত নিচামুক্ত ভাৰত অভিযানৰ জৰিয়তে ১৫ কোটি ৭৮ লাখৰো অধিক লোকক মাদক দ্ৰব্য সেৱনৰ ভয়াৱহতাৰ বিষয়ে সজাগ কৰা হৈছে। ইয়াৰ ভিতৰত ৫ কোটি ২৬ লাখ যুৱক-যুৱতী আৰু ৩ কোটি ৩১ লাখ মহিলা আছে। দেশৰ ৪ লাখ ৩১ হাজাৰৰো অধিক শৈক্ষিক প্ৰতিষ্ঠানে এইক্ষেত্ৰত সজাগতা বিয়পোৱাৰ বাবে এই অভিযানত অংশগ্ৰহণ কৰিছে। তদুপৰি তৃণমূল পৰ্যায়ত এই প্ৰচেষ্টাক নেতৃত্ব দিবৰ বাবে ২০ হাজাৰৰো অধিক প্ৰশিক্ষিত স্বেচ্ছাসেৱক নিয়োগ কৰা হৈছে।

০০০০০

ওড়িশাৰ পুৰীত বিশ্ব প্ৰসিদ্ধ মহাপ্ৰভু জগন্নাথৰ ৰথযাত্ৰা সফলতাৰে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ নিৰাপত্তা ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। কাইলৈ এই ৰথযাত্ৰা আৰম্ভ হ'ব। ওড়িশা আৰক্ষীয়ে যান-বাহনৰ আহ-যাহৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে জগন্নাথ মন্দিৰৰ ভিতৰ আৰু বাহিৰৰ চাৰিওকাষে নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে মহাপ্ৰভূ জগন্নাথ, সুভদ্ৰা আৰু বলভদ্ৰৰ ৰথৰ চাৰিওকাষে নিচ্ছিদ্ৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ উপৰিও পুৰীৰ উপকুলীয় অঞ্চলসমূহতো নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰা হৈছে। প্ৰথমবাৰৰ বাবে পুৰী আৰু ইয়াৰ চাৰিওকাষে কৃত্ৰিম বুদ্ধিমত্তাযুক্ত সমুহীয়া নিয়ন্ত্ৰণ ব্যৱস্থাৰে ২৭৫টা চিচি টিভি সংস্থাপন কৰা হৈছে। পবিত্ৰ উপকুলীয় চহৰ পুৰীত আৰক্ষীৰ ২০০টা দল, বি এছ্ এফ আৰু চি আৰ পি এফৰ ৮টা কোম্পানী নিয়োজিত কৰা হৈছে। সাগৰীয় আৰক্ষী আৰু উপকূলৰক্ষীয়ে ভাৰতীয় নৌ বাহিনীৰ সেনা বিষয়াক অপ্ৰীতিকৰ পৰিস্থিতি প্ৰতিহত কৰাৰ বাবে সাগৰ অঞ্চলত তহল দিয়াৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০

অহা ৩ জুলাইত আৰম্ভ হ'বলগীয়া অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে সুৰক্ষা বাহিনীয়ে কালি বালতাল শিবিৰত যুঁটীয়া মকড্ৰিল অনুষ্ঠিত কৰে। গান্দেৰবলৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ তত্বাৱধানত এই মকড্ৰিল অনুষ্ঠিত হয়। জম্মু-কাশ্মীৰ আৰক্ষী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, চি আৰ পি এফ ৪৯ বেটেলিয়ন, সেনা, স্বাস্থ্য বিভাগ আৰু অগ্নি আৰু তাৎক্ষণিক সেৱা বিভাগকে ধৰি ভালেকেইটা বিভাগে যুঁটীয়াভাৱে এই মকড্ৰিল কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অহা ৯ আগষ্টত ৰাখী বন্ধনৰ দিনা অমৰনাথ যাত্ৰাৰ সামৰণি পৰিব।

০০০০০

খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় ক্ৰীড়া সমাৰোহ ২০২৫ অহা নৱেম্বৰত ৰাজস্থানৰ জয়পুৰত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়ামন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে এই ক্ৰীড়া সমাৰোহত ২০০ৰো অধিক বিশ্ববিদ্যালয়ৰ ৪ হাজাৰৰো অধিক এথলীটে ২০বিধ বিভিন্ন ক্ৰীড়াত ভাগ ল'ব বুলি আশা কৰা হৈছে। তেওঁ কয়, যে এই ক্ৰীড়া সমাৰোহে এথলীটসকলক ৰাষ্ট্ৰীয় বাছনিত অন্তৰ্ভুক্ত হোৱাৰ বাবে বিশেষ সুযোগ প্ৰদান কৰে। খেলো ইণ্ডিয়া বিশ্ববিদ্যালয়ৰ ক্ৰীড়াসমূহ ২৫ বছৰ অনূৰ্ধৰ এথলীটসকলৰ বাবে অনুষ্ঠিত কৰা হয়। চলিত বৰ্ষৰ মে'ত বিহাৰত ১৮ বছৰ অনূৰ্ধৰ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হৈছিল।

০০০০০

বাৰ্লিনত অনুষ্ঠিত ৪ খন ৰাষ্ট্ৰৰ হকী প্ৰতিযোগিতাত তৃতীয় স্থানৰ বাবে অৱতীৰ্ণ হোৱা ভাৰতৰ জুনিয়ৰ পুৰুষ হকী দলটোৱে কালি অষ্ট্ৰেলিয়াক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধত দুয়োটা দলে এটাকৈ গ'ল দি সমতা স্থাপন কৰে। খেলখনৰ দ্বিতীয়াৰ্ধত অধিনায়ক টবি মেলনে অষ্ট্ৰেলিয়াক

সুন্দৰ নেতৃত্ব দিয়ে যদিও খেলখনৰ ৫২ মিনিটত অজিত যাদৱে দিয়া গ'লৰ সহায়ত ভাৰতে জয় সুনিশ্চিত কৰে।

০০০০০

ভিয়েটনামৰ ৰুং টাউত অনুষ্ঠিত ১৭ বছৰ অনূৰ্ধ্বৰ এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাত ভাৰতীয় ১৭ বছৰ অনূৰ্ধ্বৰ মহিলা মল্লযুঁজ দলে চেম্পিয়ন দল হিচাপে আত্মপ্ৰকাশ কৰিছে । ভিয়েটনামত অনুষ্ঠিত ২৩ বছৰ অনূৰ্ধ্বৰ ছিনিয়ৰ এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপত ২৩ বছৰ অনূৰ্ধ্বৰ ভাৰতীয় মহিলা মল্লযুঁজ দলৰ জয়ৰ পাছত ১৭ বছৰ অনূৰ্ধ্বৰ মহিলা যুঁজাৰুসকলে ভাৰতৰ বিজয়ী গতিশীলতাক আগুৱাই নিয়াৰ বাবে ব্যতিক্ৰমী দঢ়তা আৰু দক্ষতা প্ৰদৰ্শন কৰে । ভাৰতে ৫টা সোণ, ৩ টা ৰূপ আৰু ২ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ১০ টা পদক লাভ কৰি ২১৫ পইন্টেৰে চেম্পিয়ন ট্ৰফী লাভ কৰিবলৈ সক্ষম হয় । চীনে ১৫১ পইন্টেৰে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে জাপানে ১৪৯ পইন্টেৰে তৃতীয় স্থান দখল কৰে।

০০০০০

সমাপ্ত